নামনি অসম সংমণ্ডলৰ নিয়োগ উপসঞ্চালকৰ দ্বাৰা আয়োজিত

# সংমণ্ডল ভিত্তিক কেৰিয়াৰ পাঠ্যক্ৰমৰ প্ৰদৰ্শনী

**গুৱাহাটী উদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ প্ৰাংগণ, বিৰুবাৰী, গুৱাহাটী- ১৬**

**ইং ৩০ অক্টোবৰ ২০২৫ তাৰিখ, ১০:৩০ বজা**

অসম চৰকাৰৰ দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ অধীনস্থ নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ে ৰাজ্যৰ যুৱক-যুৱতীসকলৰ সবলীকৰণ, সুবিধা আৰু উত্তৰণৰ বাবে কেৰিয়াৰ আৰু বৃত্তিমূলক পৰামৰ্শ, কেৰিয়াৰ প্ৰদৰ্শনী, নিয়োগ মেলা আদি কাৰ্যসূচীকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে।

এই অভিযানক আগুৱাই নিবলৈ নিয়োগ উপ-সঞ্চালক, নামনি অসম সংমণ্ডল, ৰিহাবাৰীৰ দ্বাৰা অহা ইং ৩০ অক্টোবৰ ২০২৫ তাৰিখে গুৱাহাটী বিৰুবাৰীস্থিত গুৱাহাটী উদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ (আই টি আই) প্ৰাংগণত সংমণ্ডল ভিত্তিক কেৰিয়াৰ পাঠ্যক্ৰমৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে।

সংমণ্ডল ভিত্তিক কেৰিয়াৰ পাঠ্যক্ৰমৰ প্ৰদৰ্শনী হৈছে এক তথ্যসমৃদ্ধ আৰু বিশ্বাসযোগ্য মঞ্চ। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰী আৰু উচ্চাকাংক্ষী যুৱক-যুৱতীসকলে:

- আগশাৰীৰ প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয়ৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰিব পাৰিব।
- কেৰিয়াৰমুখী পাঠ্যক্ৰমৰ লগতে নতুন বৃত্তি আৰু সংস্থাপনৰ বিষয়ে অন্বেষণ কৰিব পাৰিব।
- উজ্জীৱিত খণ্ড আৰু দক্ষতাভিত্তিক শিক্ষাৰ ওপৰত তথ্য লাভ কৰিব।
- পেছাদাৰী বিশেষজ্ঞৰ পৰা সঠিক আৰু ব্যৱহাৰিক পৰামৰ্শ লাভ কৰিব।

এই অনুস্থানত তথ্য, প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তা(Information Technology & Artificial Intelligence), ৰবটিক বিজ্ঞান আৰু স্বয়ংক্ৰিয়কৰণ (Robotic Science & Automation), আতিথ্য আৰু পৰ্যটন (Hospitality & Tourism), স্বাস্থ্য আৰু স্বাস্থ্যসেৱা (Health & Allied Healthcare Services), পুনৰ সংস্থাপন অভিযান্ত্ৰিক (Rehabilitation Engineering), ক্ৰীড়া আৰু শাৰীৰিক প্ৰশিক্ষণ (Sports and Physical Training sector), ডিজাইন আৰু সৃষ্টিশীল উদ্ভাৱন (Design and Creative Innovation) আদি বিভিন্ন নতুন আৰু অনন্য পাথ্যক্ৰমৰ লগতে উদ্যোগসমূহৰ বিষয়ে যোগদানকাৰী প্ৰতিস্থান সমুহে ছাত্ৰ ছাত্ৰী সকলক পৰামৰ্শ দিব।

স্থানীয় যুৱক-যুৱতীসকলৰ মাজত সজাগতা সৃষ্টি আৰু তেওঁলোকক সঠিক কেৰিয়াৰ পথ, দক্ষতা বিকাশৰ সুযোগ আৰু প্ৰতিষ্ঠান সম্বন্ধীয় তথ্যৰ আদান-প্ৰদানৰ সুবিধা দিয়াই হৈছে এই প্ৰদৰ্শনীৰ মূল উদ্দেশ্য।

ছাত্ৰ-ছাত্ৰী, শিক্ষক-পৰামৰ্শদাতা আৰু অভিভাৱক সকলক অনুস্থানত অংশগ্ৰহণ কৰি এই সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হ'ল।

***